**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-06-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

পশ্চিমবংগৰ নিউ জলপাইগুৰিত সংঘটিত ৰে'ল দুৰ্ঘটনাত অসমৰ কোনো লোক হতাহতৰ তথ্য এই পৰ্যন্ত লাভ কৰা নাই বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কৈছে যে এই দুৰ্ঘটনা সন্দৰ্ভত কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ সৈতে কথা পতাৰ লগতে ৰাজ্যৰ মুখ্যসচিবগৰাকীয়ে ৰে'ল বিভাগৰ সৈতে যোগাযোগ অব্যাহত ৰাখিছে। ৰাজ্যৰ কোনো লোক দুৰ্ঘটনাটোত আহত হ'লে চিকিৎসাৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশ্বাস প্ৰদান কৰিছে। উল্লেখযোগ্য যে পশ্চিমবংগৰ ৰঙাপানী ষ্টেচনত আজি পুৱা সংঘটিত ৰে'ল দুৰ্ঘটনাত ৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৩০ জন লোক আহত হয়। নিউ জলপাইগুৰিৰ ৰে'ল ষ্টেচনৰ সমীপত শিয়ালদহলৈ গৈ থকা কাঞ্চনজংঘা এক্সপ্ৰেছ আৰু এখন মালবাহী ৰে'লৰ মাজত হোৱা সংঘৰ্ষৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। ৰে'ল বিভাগৰ সূত্ৰই জনোৱা অনুসৰি মালবাহী ৰে'লখন ছিগনেল পোৱাৰ আগেয়ে ৰাওনা হয় আৰু কাঞ্চনজংঘা এক্সপ্ৰেছৰ পাছফালে খুন্দা মাৰে। দুৰ্ঘটনা সংঘটিত হোৱাৰ লগে লগে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ দলে যাত্ৰীসকলক উদ্ধাৰ কৰে। যাত্ৰীসকলক খাদ্য আৰু পানী যোগান ধৰি থকা হৈছে। দুৰ্ঘটনাটোত ৰে'লখনৰ ক্ষতিগ্ৰস্ত নোহোৱা ডবাসমূহ মালদালৈ ৰাওনা হৈছে। ইপিনে কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে দুৰ্ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ বুজ লয়। দুৰ্ঘটনা সম্পৰ্কীয় তথ্যৰ বাবে ৰে'ল বিভাগে বিভিন্ন স্থানত হেল্প ডেস্ক স্থাপন কৰিছে। শিয়ালদহ ষ্টেচনৰ বাবে হেল্পলাইন নম্বৰ হৈছে - ০৩৩-২৩৫০৪৭৯৪, ০৩৩-২৩৪৩৩৩২৬। আলোৱাবাৰী ৰোড জৰুৰীকালীন নম্বৰ - ৮১৭০০-৩৪২৩৫, কিষাণগঞ্জৰ ৭৫৪২০-২৮০২০, ডালখোলাৰ ৮১৭০০-৩৪২২৮, বাৰছ'ইৰ - ৭৫৪১৮-০৬৩৫৮, ছামছিৰ জৰুৰীকালীন নম্বৰ হৈছে - ০৩৫১৩-২৬৫৬৯০।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিমবংগত সংঘটিত ৰে'ল দুৰ্ঘটনাটোত গভীৰ শোক প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘটনাত প্ৰিয়জনক হেৰুওৱা প্ৰতিটো পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু-আৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰীয়ে পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে বিষয়াসকলৰ সৈতে বাৰ্তালাপ কৰে। শ্ৰী মোদীয়ে প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা প্ৰতিগৰাকী নিহতৰ নিকটাত্মীয়লৈ ২ লাখ টকা আৰু আহতসকললৈ ৫০ হাজাৰ টকাৰ এককালীন সাহায্যৰ বিষয়েও ঘোষণা কৰিছে।

আনহাতে ৰে'ল বিভাগৰ তৰফৰ পৰা দুৰ্ঘটনাত নিহতৰ নিকতাত্মীয়লৈ ১০ লাখ, গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত সকললৈ আঢ়ৈ লাখ আৰু সামান্যভাৱে আহত লোকসকলক ৫০ হাজাৰ টকাৰ সাহাৰ্য প্ৰদান কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰে।

ৰে'ল দুৰ্ঘটনাটোৰ পৰিপ্ৰেক্ষিতত কাটিহাৰ-নিউজলপাইগুৰি খণ্ডৰ ৰে'ল যাতায়াত প্ৰভাৱিত হৈছে। ডিব্ৰুগড়-নতুন দিল্লী ৰাজধানী এক্সপ্ৰেছ, হাওৰা-নিউ জলপাইগুৰি বন্দে ভাৰত এক্সপ্ৰেছকে ধৰি ২৪খন ৰে'লৰ যাত্ৰাপথ সলনি কৰি নিউ জলপাইগুৰি, শিলিগুড়ি, বাগডোগ্ৰা, আলুৱাবাৰী ৰে'ল শাখাৰ পথেৰে যাতায়াতৰ ব্যৱস্থা কৰা হৈছে।

0000000

দেশৰ আন আন প্ৰান্তৰ লগতে অসমতো ইছলামধৰ্মী লোকসকলে আজি ধৰ্মীয় ৰীতি-নীতিৰে ঈদ-উজ-জোহা উদযাপন কৰিছে। ঈদ উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ঈদ-উজ-জোহাক ত্যাগৰ প্ৰতীক হিচাপে বৰ্ণনা কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, এই উৎসৱে প্ৰেম, ভাতৃত্ববোধ আৰু সামাজিক সম্প্ৰীতিৰ বাৰ্তা বহন কৰে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে এই উৎসৱত ৰাইজক একতা, দয়া আৰু সংহতিৰ মূল্যবোধ সন্দৰ্ভত চিন্তা কৰিবলৈ আহ্বান জনায়। ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়ায়েও ঈদ-উজ-জোহা উপলক্ষে ইছলামধৰ্মী লোকসকলক শুভেচ্ছা জ্ঞাপন কৰি ত্যাগৰ এই উৎসৱে জনসাধাৰণৰ মাজত পাৰস্পৰিক সহানুভূতি, সদিচ্ছা আৰু কৃতজ্ঞতাৰ মনোভাৱ শক্তিশালী কৰি তুলিব বুলি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ো ঈদ উপলক্ষে ইছলামধৰ্মী লোকসকলক শুভেচ্ছা জনাইছে।

ঈদ উপলক্ষে মছজিদ আৰু ঈদগাহসমূহ সজাই-পৰাই তোলা হৈছে। প্ৰতিকূল বতৰকো নেওচি পুৰা ইছলামধৰ্মী লোকসকলে সমূহীয়া নামাজত অংশ লয়। ৰাজ্যৰ আন আন ঠাইৰ লগতে গুৱাহাটীতো ঈদৰ উছাহ পৰিলক্ষিত হৈছে। জালুকবাৰী, মাছখোৱা, আমবাৰী, হাতীগাঁও আদিকে ধৰি কেইবাটাও স্থানত ঈদৰ নামাজ সম্পন্ন হয়। প্ৰতিকূল বতৰৰ বাবে ঈদৰ নামাজ পঢ়াত পলম হোৱাৰ লগতে ঈদগাহৰ পৰিৱৰ্তে মছজিদসমূহত নামাজ অনুষ্ঠিত কৰা হৈছে।

বৰপেটা জিলাৰ ভিন্ন প্ৰান্ততো ঈদ-উজ-জোহা উদযাপন কৰা হৈছে। বৰষুণৰ বাবে জিলাখনৰ ঈদগাহ ময়দানবোৰত সীমিত সংখ্যক লোকৰ উপস্থিতিত সমূহীয়া নামাজ অনুষ্ঠিত হয়।

ঈদ উপলক্ষে শিৱসাগৰৰ বিভিন্ন প্ৰান্তত ইছলাম ধৰ্মী লোকসকলে সমূহীয়া নামাজত অংশ লৈ শান্তি-সম্প্ৰীতি কামনা কৰে। শিৱসাগৰৰ দৰবাৰ ফিল্ড ঈদগাহ ময়দান, ৰংঘ চাৰিআলি ঈদগাহ ময়দানৰ লগতে জেঙনিকতীয়া চাৰিআলি, ষ্টেচন চাৰিআলিকে ধৰি বিভিন্ন মছজিদসমূহত নামাজ অনুষ্ঠিত হয়।

oooooooo

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত অহা ২০ জুনত দৰং মহাবিদ্যালয় প্ৰেক্ষাগৃহত কেন্দ্ৰীয়ভাৱে চলিত বছৰৰ বিষ্ণুৰাভা দিৱস উদযাপন কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত অংশ লৈ বিশিষ্ট লোকশিল্পী ধৰ্মেশ্বৰ নাথ আৰু চিত্ৰশিল্পী দুৰ্লভ ভট্টাচাৰ্যক ২০২৪ বৰ্ষৰ বিষ্ণুৰাভা বঁটাৰে সন্মানিত কৰিব। তদুপৰি অসমৰ কলা-সংস্কৃতি, সমাজ আৰু সাহিত্য জগতলৈ অমূল্য অৱদান আগবঢ়াই অহা ৯ গৰাকী স্বনামধন্য ব্যক্তিক এটা ৰাষ্ট্ৰীয় আৰু ৮ টা ৰাজ্যিক পৰ্যায়ৰ বঁটাৰে সন্মানিত কৰা হ'ব। ২০২৩ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আজানপীৰ বঁটা প্ৰবীণ চলচ্চিত্ৰ নিৰ্মাতা আনোৱাৰ হুছেইনক প্ৰদান কৰা হ'ব। আনহাতে, ৮ টা ৰাজ্যিক পৰ্যায়ৰ বঁটা ক্ৰমে চলিত বছৰৰ গীতি কবি পাৰ্বতী প্ৰসাদ বৰুৱা বঁটা, সংগীত শিল্পী স্বাশ্বতী ভট্টাচাৰ্যক, অমল প্ৰভা দাস বঁটা শিক্ষয়িত্ৰী তথা শিল্পী বন্দনা দত্তক চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা, বিশিষ্ট সমাজসেৱিকা ড° সুনীতা চাংকাকতিক আৰু মামণি ৰয়চম গোস্বামী বঁটা বিশিষ্ট সাহিত্যিক ড° কৰবী ডেকা হাজৰিকাক প্ৰদান কৰা হ'ব। একেদৰে চলিত বছৰৰ চৈয়দ আব্দুল মালিক বঁটা সাহিত্যিক জয়ন্ত মাধৱ বৰাক, আহমদ আলী বাঁশকান্দী বঁটা তৰেন চন্দ্ৰ বড়োক, গণেশ গগৈ বঁটা বিশিষ্ট কবি আনিজ উজ জামানক আৰু বীৰ ৰাঘৱ মৰাণ বঁটা সাহিত্যিক, সমাজসেৱী জীৱেশ্বৰ মহনক প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি সেইদিনা দিনৰ ১০ বজাৰ পৰা বিষ্ণু প্ৰসাদ ৰাভাৰ গীত আৰু কবিতাৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

ooooooo

**সমাপ্ত**